সেই ব্যক্তি আমাৰ অন্তৰ্ভুক্ত নহয়, যিয়ে (শোকৰ সময়ত কান্দি কান্দি) গালত চৰিয়ায় আৰু বুকুৰ কাপোৰ ফালি পেলায় আৰু অজ্ঞতা যুগৰ মাত মাতে।

আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "সেই ব্যক্তি আমাৰ অন্তৰ্ভুক্ত নহয়, যিয়ে
(শোকৰ সময়ত কান্দি কান্দি) গালত চৰিয়ায় আৰু বুকুৰ কাপোৰ ফালি পেলায় আৰু অজ্ঞতা
যুগৰ মাত মাতে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে অজ্ঞতা যুগত হোৱা কিছুমান কাম সম্পৰ্কে সতৰ্ক কৰিছে তথা নিষেধ কৰি কৈছে যে, "যিয়ে এইবোৰ কাম কৰে সি আমাৰ অন্তৰ্ভুক্ত নহয়।" প্ৰথমঃ যিয়ে (শোকৰ সময়ত) গালত চৰিয়ায়। বিশেষভাৱে গালৰ কথা উল্লেখ কৰাৰ কাৰণ যে, বেছিভাগ সময়তে এইটো হোৱা দেখা যায়। অন্যথা ইয়াৰ বাহিৰে বেলেগ ঠাইত চৰিয়াটোও নিষেধাজ্ঞাৰ অন্তৰ্ভুক্ত। দ্বিতীয়ঃ গভীৰ শোক প্ৰকাশ কৰিবলৈ শৰীৰৰ কাপোৰ ফালি পেলোৱা। তৃতীয়ঃ অজ্ঞতা যুগৰ দৰে চিঞৰি চিঞৰি কান্দা, উদাহৰণস্বৰূপে হায়! হায় কৰা, সৰ্বনাশ বুলি চিঞৰা, মাতম কৰা, বিলাপ কৰা আদি।

http://www.sunnah.global/hadeeth/as/show/5380